NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 26-11-2026
Time : 1340 Hrs.

Assamese Midday Bulletin
HEADLINES

oooooooo

১। সমগ্র দেশতে আজি সংবিধান দিৱস পালন কৰা হৈছে। দিৱস উপলক্ষে উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে জনসাধাৰণলৈ শুভেচ্ছা জনাইছে।

২। ২০০৮ চনৰ ২৬ নৱেম্বৰত মুম্বাইত সন্ত্ৰাসবাদীৰ আক্ৰমণত প্ৰাণ হেৰুওৱা লোকসকলৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰা হৈছে।

৩। ৰাষ্ট্ৰীয় দুগ্ধ দিৱস উপলক্ষে আজি পাটনাত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়।

৪। বৃহৎ ক্ষেপনাস্ত্ৰ নিৰ্মাণৰ লক্ষ্যৰে অসমৰ জাগীৰোডত প্ৰতিৰক্ষা উদ্যান স্থাপনৰ বাবে ছহেজাৰ বিঘা ভূমি আৱণ্টন দিয়া হৈছে।

আৰু

৫। ভাৰতীয় আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত চলচ্চিত্ৰত মহিলাৰ বৰ্ধিত অৱদানৰ বিষয়ে বিশেষভাৱে আলোকপাত কৰা হৈছে।

oooooooo

আজি সংবিধান দিৱস। ভাৰতৰ সংবিধান গৃহীত হোৱাৰ ৭৭ সংখ্যক বছৰ উপলক্ষে সংবিধানৰ নীতি আৰু প্ৰমূল্যসমূহ সন্দৰ্ভত জনসাধাৰণক সজাগ কৰাৰ বাবে এই দিৱস পালন কৰা হয়। ১৯৪৯ চনৰ ২৬ নৱেম্বৰত ভাৰতৰ সংবিধান গৃহীত হৈছিল আৰু ১৯৫০ চনৰ ২৬ জানুৱাৰী তাৰিখে সংবিধান কাৰ্যকৰী কৰা হৈছিল। ২০১৫ চনৰ পৰা সংবিধানৰ নীতিসমূহৰ প্ৰতি জনসাধাৰণৰ সমন্বিত দায়বদ্ধতাৰ বাবে আহ্বান জনাই এই দিৱস পালন কৰি অহা হৈছে।

সংসদীয় পৰিক্ৰমা মন্ত্ৰালয়ে আজি এই দিৱস উপলক্ষে মাই গভ প'ৰ্টেলযোগে ২৩টা ভাষাত সংবিধানৰ প্ৰস্তাৱনা অনলাইন পাঠ কৰোৱাৰ ব্যৱস্থা কৰিছে। ইংৰাজীৰ উপৰি সংবিধান স্বীকৃত ২২টা ভাষাত এই পাঠ কৰোৱাৰ ব্যৱস্থা কৰা হৈছে। এই দিৱস উপলক্ষে বিভিন্ন মন্ত্ৰালয় আৰু বিভাগে ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ লগতে স্বায়ত্তশাসিত অঞ্চল আৰু প্ৰতিষ্ঠানসমূহৰ সহযোগত ভিন ভিন কাৰ্যসূচীৰ আয়োজন কৰিছে।

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে সংবিধান দিৱস উপলক্ষে দেশৰ নাগৰিকসকললৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে শ্ৰী ৰাধাকৃষ্ণণে সংবিধানৰ প্ৰণেতা ডঃ বাবাচাহেব আম্বেদকাৰৰ লগতে সংবিধান সভাৰ সদস্যসকললৈ শ্ৰদ্ধা নিবেদন কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সংবিধান দিৱস উপলক্ষে দেশৰ জনসাধাৰণক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে শ্ৰী মোদীয়ে সংবিধানৰ প্ৰণেতা ডঃ বি আৰ আম্বেদকাৰৰ লগতে সংবিধান সভাৰ সন্মানীয় সদস্যসকলৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে। তেওঁ কয়, যে এই শ্ৰদ্ধেয় ব্যক্তিসকলে ভাৰতীয় গণতন্ত্ৰৰ অমূল্য সম্পদবিধ দেশৰ বাবে আগবঢ়াই গৈছে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও সংবিধান দিৱস উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰিছে। শ্ৰী শ্বাহে নিজৰ বাৰ্তাযোগে সংবিধানৰ প্ৰণেতা ডঃ আম্বেদকাৰৰ লগতে ডঃ ৰাজেন্দ্ৰ প্ৰসাদ আৰু সংবিধান সভাৰ সদস্যসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে।

oooooooo

২০০৮ চনৰ ২৬ নৱেম্বৰত মুম্বাইৰ কেইবাটাও গুৰুত্বপূৰ্ণ স্থানত পাকিস্তানী সন্ত্ৰাসবাদীৰ আক্ৰমণত শতাধিক নিৰীহ লোকে প্ৰাণ হেৰুওৱা ঘটনাৰ ভয়াৱহ স্মৃতি সুঁৱৰি আজিৰ দিনটো ক'লা দিৱস হিচাপে পালন কৰা হৈছে। এই আক্ৰমণে সমগ্ৰ দেশক শোকস্তব্ধ কৰি তুলিছিল। এই ঘটনাৰ আজি ১৮ বছৰ সম্পূৰ্ণ হ'ল। ৬০ ঘণ্টা জোৱা এই আক্ৰমণৰ ঘটনাত

লস্কৰ-ই-তৈবা নামৰ সন্ত্রাসবাদী সংগঠনৰ ১০ জন অস্ত্র-শস্ত্রধাৰী সদস্যৰ গুলীত মুঠ ১৬৬ জন লোকে প্রাণ হেৰুৱাইছিল আৰু তিনি শতাধিক আহত হৈছিল। এই সন্ত্রাসবাদীকেইজনৰ ভিতৰত ৯ জন নিহত হৈছিল আৰু আজমল কাছাব নামৰ সন্ত্রাসবাদী জনক কৰায়ত্ত কৰি পাছত মৃত্যুদণ্ডৰে দণ্ডিত কৰা হৈছিল। আজি এই শোকাৱহ ঘটনাৰ ১৮ বছৰ পূর্ণ হোৱা উপলক্ষে এই দিনটোত প্রাণ হেৰুওৱা লোকসকলক দেশবাসীয়ে শ্রদ্ধাৰে সুঁৱৰিছে। এই দিনটোৱে সন্ত্রাসবাদৰ ভাবুকি প্রতিহত কৰি ৰাষ্ট্রীয় সুৰক্ষা শক্তিশালী কৰাৰ বাবে সতর্ক হৈ থকাৰ সকিয়নি দিয়ে। ভাৰতে সন্ত্রাসবাদৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ নীতি গ্রহণ কৰি সন্ত্রাসবাদী কার্যকলাপ ৰোধ কৰাৰ বাবে বিশেষ ব্যৱস্থা গ্রহণ কৰিছে।

এই বছৰৰ ফেব্রুৱাৰীত গৃহ পৰিক্রমা মন্ত্রালয়ে প্রহাৰ শীর্ষক ভাৰতৰ প্রথম সর্বাত্মক ৰাষ্ট্রীয় সন্ত্রাসবাদ বিৰোধী নীতি আৰু কৌশল মুকলি কৰে। ৭ টা মূল বিষয়ক আধাৰ হিচাপে লৈ এই কৌশলসমূহ যুগুত কৰা হৈছে।

ৰাষ্ট্রপতি শ্রীমতী দ্রৌপদী মুর্মুৰে ২০০৮ চনৰ ২৬ নৱেম্বৰত এই শোকাৱহ ঘটনাত প্রাণ হেৰুওৱা সাহসী সেনাৰ জোৱান, আৰক্ষী জোৱান আৰু প্রতিগৰাকী নিৰিহ লোকৰ স্মৃতিত শ্রদ্ধা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে শ্রীমতী মুর্মুৰে কয়, যে এই লোকসকলৰ ত্যাগ আৰু নিঃস্বার্থ সেৱাই দেশৰ মূল ভেটি শক্তিশালী কৰি ৰখাৰ বাবে উত্তৰ প্রজন্মক প্রেৰণা দিব। ৰাষ্ট্রপতি শ্রীমতী মুর্মুৰে কয়, যে এই ঘটনাত প্রাণ হেৰুওৱা পৰিয়ালৰ প্রতি চৰকাৰৰ সহানুভূতি আছিল আৰু কেন্দ্রীয় চৰকাৰ যিকোনোধৰণৰ সন্ত্রাসবাদ নির্মূল কৰাৰ বাবে প্রতিশ্রুতিবদ্ধ।

উপ-ৰাষ্ট্রপতি চি পি ৰাধাকৃষ্ণণে আজিৰ দিনটোত মুম্বাইত সংঘটিত আক্রমণত প্রাণ হেৰুওৱা নিৰিহ লোক আৰু সাহসী সুৰক্ষা কর্মীসকলৰ স্মৃতিত গভীৰ শ্রদ্ধা জ্ঞাপন কৰিছে। ভাৰত সন্ত্রাসবাদৰ প্রতি শূন্য সহনশীলতা নীতিৰে অগ্রসৰ হৈছে আৰু ক্ষতিগ্রস্তসকলক ন্যায় প্রদানৰ বাবে দেশখন দায়বদ্ধ বুলি তেওঁ উল্লেখ কৰে।

oooooooo

আজি ৰাষ্ট্রীয় দুগ্ধ দিৱস। ভাৰতৰ শ্বেত বিপ্লৱৰ জনক, দুগ্ধমানৱ উপাধিৰে বিভূষিত ডঃ ভার্গিজ কুৰিয়েনৰ ১০৫ সংখ্যক জয়ন্তীৰ লগত সংগতি ৰাখি সংগতি ৰাখি আজি ৰাষ্ট্রীয় দুগ্ধ দিৱস উদ্‌যাপন কৰা হৈছে।

মীন, পশুপালন আৰু দুগ্ধ মন্ত্রালয়ে আজি পাটনাত ৰাষ্ট্রীয় দুগ্ধ দিৱস ২০২৬ পালন কৰে। এই অনুষ্ঠানত কেন্দ্রীয় মীন, পশুপালন আৰু দুগ্ধ মন্ত্রী ৰাজীৱ ৰঞ্জন সিং, ৰাজ্য মন্ত্রী প্রফেচাৰ এছ পি সিং ৰাঘেল, বিহাৰৰ মুখ্যমন্ত্রী সম্রাট চৌধুৰী আৰু বিহাৰৰ দুগ্ধ, মীন আৰু পশুপালন মন্ত্রী নন্দ কিশোৰ ৰাম উপস্থিত থাকে। অনুষ্ঠানত অংশ লৈ দিয়া ভাষণত ৰাজীৱ ৰঞ্জন সিঙে কয়, যে দেশৰ দুগ্ধ খণ্ডই সম্প্রতি বিকাশ লাভ কৰিবলৈ সমর্থ হৈছে। প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে ২০১৪ চনত গ্রহণ কৰা পদক্ষেপৰ অধীনত ভাৰতবর্ষ বিশ্বৰ দুগ্ধ উৎপাদনকাৰী দেশসমূহৰ ভিতৰত প্রথম স্থানত আছে বুলি তেওঁ মন্তব্য কৰে।

বাইট

ৰাষ্ট্রীয় দুগ্ধ দিৱস উপলক্ষে আজি দিছপুৰৰ লোকনির্মাণ বিভাগৰ সন্মিলন আৰু প্রশিক্ষণ কেন্দ্রত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত পশুপালন আৰু পশু চিকিৎসা মন্ত্রী নীলিমা দেৱী মুখ্য অতিথি হিচাপে উপস্থিত থাকে। মুখ্যমন্ত্রী ডঃ হিমন্ত বিশ্ব শর্মাই ৰাষ্ট্রীয় দুগ্ধ দিৱস উপলক্ষে ডঃ ভার্গিজ কুৰিয়ানক শ্রদ্ধাৰে স্মৰণ কৰিছে। এই উপলক্ষে দিয়া বার্তাত মুখ্যমন্ত্রীয়ে দুগ্ধ উদ্যোগৰ ক্ষেত্রত অসমক দেশৰ আগশাৰীৰ ৰাজ্য হিচাপে প্রতিষ্ঠা কৰাৰ সংকল্প দোহাৰে।

oooooooo

অসম চৰকাৰে জাগীৰোডত প্রতিৰক্ষা উদ্যান নির্মাণৰ বাবে ছহেজাৰ বিঘা ভূমি আৱণ্টন দিছে। এই উদ্যানত দেশত ব্যৱহৃত বৃহৎ ক্ষেপনাস্ত্রসমূহ নির্মাণ কৰা হ'ব। জাগীৰোডৰ ছেমি কণ্ডাক্টৰ প্রকল্পৰ সন্মুখতে এই প্রকল্প নির্মাণ কৰা হ'ব। ৰঙিয়াৰ তুলসীবাৰীৰ অসম ঔদ্যোগিক উন্নয়ন নিগমৰ ঔদ্যোগিক পামত এটা প্রতিৰক্ষা সামগ্রী নির্মাণ প্রকল্পৰ আধাৰশিলা স্থাপন কৰি দিয়া ভাষণত অসমৰ মুখ্যমন্ত্রী ডঃ হিমন্ত বিশ্ব শর্মাই কালি এই কথা প্রকাশ কৰে। মুখ্যমন্ত্রী ডঃ শর্মাই অহা এপ্রিলত জাগীৰোডৰ ছেমি কণ্ডাক্টৰ প্রকল্প মুকলি কৰা হ'ব বুলি ঘোষণা কৰে।

বাইট

oooooooo

ৰাষ্ট্রপতি শ্রীমতী দ্রৌপদী মুর্মুৰে দুদিনীয়া কার্যসূচীৰে কাইলৈ কেৰলম ভ্রমণ কৰি কেইবাটাও কার্যসূচীত অংশগ্রহণ কৰিব। কাইলৈ পুৱা কোচিত উপস্থিত হোৱাৰ পাছত এর্নাকুলাম জিলাৰ কালাডিত থকা আদি শংকৰাচার্যৰ জন্মভূমি মন্দিৰ

দর্শন কৰিব। ইয়াৰ পাছত তেওঁ ত্ৰিশূৰত বৈদ্যৰত্নম আয়ুর্বেদ মহাবিদ্যালয়ৰ সোণালী জয়ন্তীৰ সামৰণি অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। ত্ৰিশূৰৰ লুলু আন্তঃৰাষ্ট্ৰীয় সম্মিলন কেন্দ্ৰত এই সামৰণি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। বিয়লিৰ ভাগত ৰাষ্ট্ৰপতিগৰাকী গুৰু বায়ুৰত শ্ৰীকৃষ্ণ মন্দিৰ দর্শন কৰিব। ভ্ৰমণৰ দ্বিতীয় দিনা ২৮ নৱেম্বৰত ৰাষ্ট্ৰপতিয়ে কন্নুৰৰ এঝিমলাত থকা ভাৰতীয় নৌসেনা একাডেমীত শৰৎকালীন দীক্ষান্ত সমাৰোহত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

oooooooo

গোৱাত অনুষ্ঠিত ৫৭ সংখ্যক ভাৰতীয় আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ- IFFIত চিনেমাৰ ক্ষেত্ৰত মহিলাৰ বৰ্ধিত অৱদানৰ বিষয়ে বিশেষভাৱে আলোকপাত কৰা হৈছে। ভাৰতীয় মহিলা চিত্ৰ নিৰ্মাতাসকলে বিভিন্ন ক্ষেত্ৰৰ অনন্য দৃষ্টিভংগীৰ বিষয়বস্তুৰে চিনেমাৰ জগতখনক সন্মুখৰ পৰা নেতৃত্ব দিবলৈ সমর্থ হৈছে। আধ্যাত্মিকতা আৰু নিয়তিক বিষয়বস্তু হিচাপে লৈ নিৰ্মাণ কৰা লীনা যাদৱৰ **লাডাখী** ছবিখনে বিশেষ গুৰুত্ব বহন কৰিছে। একেদৰে মুস্কান আস্থানাৰ **ছেভ মিচ্চাৰ**, অনুপমা শ্বাৰাধিৰ **পিলি ছানে** আৰু অন্তৰা জি জি চৌধুৰীৰ **সূর্যমুখী**-য়ে ভাৰতীয় কাহিনী কথনৰ বৈচিত্ৰ্যতাক প্ৰতিফলিত কৰিছে। এই মহোৎসৱত বিশ্বৰ বিভিন্ন প্ৰান্তৰ মহিলা চিত্ৰ নিৰ্মাতাৰ ছবিও প্ৰদর্শিত হৈছে। কিৰ্গিজ চলচ্চিত্ৰ নিৰ্মাতা নাৰ্ঘিজা ড'টিয়েভাৰ **স্কাইলার্ক** ছবিখনে সীমান্ত বিবাদৰ ফলত এজন কিশোৰৰ জীৱনত পৰা প্ৰভাৱৰ বিষয়ে অন্বেষণ কৰিছে। ৰোমানিয়াৰ ৰোমা চলচ্চিত্ৰ নিৰ্মাতা অলিনা ছাৰ্বানাৰ ছবি **আই মেটাৰ**, মহোৎসৱৰ মধ্যকালীন ছবি হিচাপে প্ৰদর্শিত হয়। মহিলা চিত্ৰ নিৰ্মাতাসকলে বিভিন্ন বিষয়বস্তু সামৰি নিৰ্মাণ কৰা এই চলচ্চিত্ৰসমূহে ছবি জগতক নতুন দৃষ্টিভংগীৰে সমৃদ্ধ কৰি তুলিছে।

oooooooo

সমাপ্ত